**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-08-2026 **Time :** 0755 Hrs.

***Assamese Morning Bulletin***
***HEADLINES***

---

নেপাল-তিববতৰ বিধবংসী বানত নিহত লোকৰ সংখ্যা ৩৯২ লৈ বৃদ্ধি পাইছে আৰু বানৰ পাছৰে পৰা দেশ দুখনত এহেজাৰ ৪৬৮ জন লোক সন্ধানহীন হৈছে। প্ৰাপ্ত বাতৰি অনুসৰি নেপালত ৩৮৯ আৰু তিববতত ৩ জন লোকে প্ৰাণ হেৰুৱাইছে। একেদৰে, বানৰ পাছৰেপৰা নেপালত ৯১০ জন আৰু তিববতত ৫৫৮ জন লোক সন্ধানহীন হৈ আছে। ইপিনে, ভোটে কোশি নৈৰ উৎপত্তিস্থলত সৃষ্টি হোৱা হ্ৰদ ভাঙি পুনৰ বানৰ সৃষ্টি হ'ব পাৰে বুলি আশংকাৰ সৃষ্টি কৰিছে। এনে হ'লে পৰিস্থিতি অধিক ভয়াৱহ হ'ব বুলি আশংকা কৰা হৈছে। নেপালৰ সুৰক্ষা বাহিনীয়ে বৰ্তমানলৈকে প্ৰভাৱিত এলেকাৰ পৰা ৮০০ ৰো অধিক লোকক উদ্ধাৰ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে নেপালত সন্ধানহীন হোৱা লোকসকলৰ ভিতৰত ২৯০জন ভাৰতীয় নাগৰিক আছে প্ৰকাশ কৰিছে। নতুন দিল্লী মহলে জলবিদ্যুৎ প্ৰকল্পত কৰ্মৰত শ্ৰমিক আৰু বিভিন্ন ৰাজ্যৰ পৰ্যটকসকলৰ শুংসূত্ৰ উলিয়াবৰ বাবে অভিযান তীব্ৰতৰ কৰি তুলিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰে কৈছে যে চুবুৰীয়া ৰাষ্ট্ৰখনৰ বান প্ৰভাৱিত এলেকাত আবদ্ধ হৈ পৰা ভাৰতীয় নাগৰিকসকলৰ অৱস্থা আৰু কল্যাণ নিশ্চিত কৰাৰ বাবে যুদ্ধকালীন ক্ষিপ্ৰতাৰে প্ৰয়াস চলাই থকা হৈছে। তেওঁ কয়, যে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে নেপালৰ বিভিন্ন মন্ত্ৰালয়, ভৱন সংস্থা আৰু সংশ্লিষ্ট কৰ্তৃপক্ষসমূহৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে। বিদেশ মন্ত্ৰালয়ে লগতে নিখোজ হৈ থকা লোকসকলক বিচাৰি উলিয়াই আৰু উদ্ধাৰ অভিযানত সহায় কৰাৰ উদ্দেশ্যে অহৰ্নিশে খোলা থকা এটা নিয়ন্ত্ৰণ কক্ষ মুকলি কৰিছে। ভাৰতে বৰ্তমানলৈকে ৮৪ জন লোকক উদ্ধাৰ কৰিছে। ইয়াৰে ভিতৰত ত্ৰিশূলী-ওৱান জলবিদ্যুৎ প্ৰকল্পৰ ৬৩ গৰাকী শ্ৰমিক আৰু তামিলনাডুৰ ২১ গৰাকী লোক আছে।

অসম চৰকাৰে বানৰ ফলত নেপাল আৰু তিববত সীমান্তত আৱদ্ধ হৈ পৰা ৰাজ্যৰ লোকসকলৰ সহায়ৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। নতুন দিল্লীস্থিত অসম ভৱনে বিপদগ্ৰস্ত অসমৰ লোকসকলৰ বাবে কেইবাটাও জৰুৰীকালীন নম্বৰ মুকলি কৰি সহায়, যোগাযোগ, সমন্বয় আৰু তথ্য সংগ্ৰহৰ ব্যৱস্থা কৰিছে। কালি অসম ভৱনৰ আৱাসিক আয়ুক্তৰ কাৰ্যালয়ে এখন জাননীযোগে নেপালত আৱদ্ধ হৈ থকা অসমৰ লোকসকলক যিকোনো সহায়ৰ বাবে ভৱনৰ সৈতে পোনপটীয়াকৈ যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

দেশজুৰি আজি ভাতৃ-ভগ্নীৰ মাজৰ স্নেহ আৰু বিশ্বাসৰ পৱিত্ৰ বান্ধোনৰ উৎসৱ ৰাখী বন্ধন উদযাপন কৰা হৈছে। পৰম্পৰা অনুসৰি অই দিনটোত ভগ্নীসকলে ভাতৃৰ হাতত ৰং-বিৰঙী ৰাখী বান্ধি তেওঁলোকৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। বিনিময়ত ভাতৃসকলেও ভগ্নীসকলৰ সুৰক্ষাৰ পণ লয় আৰু স্নেহৰ চিনস্বৰূপে উপহাৰ আগবঢ়ায়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ৰাখী বন্ধন উপলক্ষে দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৰে এই উপলক্ষে দিয়া এটা বাৰ্তাত কয় যে ৰাখী

বন্ধন প্ৰাচীন কালৰে পৰা দেশৰ সংস্কৃতি আৰু পৰম্পৰাৰ অবিচ্ছেদ্য অংগৰূপে পৰিগণিত হৈ আহিছে। তেওঁ কয় যে এই উৎসৱত ভাতৃৰ হাতত বিশ্বাসেৰে বন্ধা ৰাখীক সুৰক্ষাৰ পৱিত্ৰ বান্ধোন বুলি গণ্য কৰা হয়। এই উৎসৱে অকল ভাতৃ-ভগ্নীৰ মাজৰেই নহয়, বৰং পৰিয়াল, বন্ধু আৰু সমাজৰ মাজৰ বিশ্বাস, সন্মান আৰু পাৰস্পৰিক দায়িত্বক প্ৰতিফলিত কৰে বুলি ৰাষ্ট্ৰীপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে এই উৎসৱে সকলো সম্পৰ্কৰ মূল ভেটি যে বিশ্বাস, সংবেদনশীলতা আৰু পাৰস্পৰিক সহযোগিতা সেয়াও সোঁৱৰাই দিয়ে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে পৰিয়াল আৰু সম্প্ৰদায়সমূহৰ মাজৰ বান্ধোন সুদৃঢ় কৰাৰ বাবে সংকল্প ল'বলৈ আৰু এই ভাৱনাৰে বিকশিত ভাৰতৰ দিশে অগ্ৰসৰ হ'বলৈ প্ৰতিগৰাকী নাগৰিকক আহ্বান জনায়।

০০০০০০০

শেহতীয়া বানত ক্ষতিগ্ৰস্ত শিৱসাগৰ জিলাৰ নেপালীখুটিৰ লোকসকলৰ সহায়ৰ বাবে ছিকিমৰ গেংটকৰ কাউন্সিল অব ইভাঞ্জেলিকেল প্ৰেছ্‌ বিটেৰিয়ন চাৰ্চ্চৰ ছ'চিয়েল চাৰ্ভিছ কমিটী আগবাঢ়ি আহিছে। কমিটীখনৰ সচিব বীৰবল ৰায়ৰ নেতৃত্বত কালি চাৰিগৰাকীৰ সদস্যৰ প্ৰতিনিধি দল এটাই নেপালীখুটিৰ বানপীড়িত লোকসকলৰ মাজত চিলিং ফেন আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰে। এই সন্দৰ্ভত কমিটীৰ সচিব বীৰবল ৰায়ে এনেদৰে কয়-

বাইট (বীৰবল)

ইভাঞ্জেলিকেল প্ৰেছ্‌ বিটেৰিয়ন চাৰ্চ্চৰ ছ'চিয়েল চাৰ্ভিছ কমিটীয়ে নেপালীখুটিৰ ৪৫গৰাকী লোককে ধৰি অঞ্চলটোৰ ১১৬টা পৰিয়ালক সহায়ৰ হাত আগবঢ়ায়।

০০০০০০০

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া সমজিলা আয়ুক্তৰ কাৰ্যালয়ত কালি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিভিন্ন আঁচনি আৰু জনকল্যাণমূলক বিষয়সমূহ সন্দৰ্ভত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সমজিলা আয়ুক্ত বিৰাজ বৰুৱাই সভাপতিত্ব কৰা সভাখনত বিশেষকৈ ভি বি জি ৰামজি গ্ৰামোন্নয়নমূলক কাম, পি এম এ ৱাই জি, ১৫ সংখ্যক বিত্তীয় আয়োগৰ পুঁজি, ৰেচন কাৰ্ডৰ সত্যাপন আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সৈতে জড়িত বিষয়সমূহৰ অগ্ৰগতি আৰু ৰূপায়ণ সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। জনসাধাৰণৰ বাবে চৰকাৰী আঁচনিসমূহৰ সুফল সঠিকভাৱে আৰু সময় মতে নিশ্চিত কৰাৰ প্ৰতি এই সভাত গুৰুত্ব আৰোপ কৰা হয়। সভাত সংশ্লিষ্ট বিভাগসমূহৰ বিষয়াবৰ্গ উপস্থিত থাকে।

০০০০০০০

অসম বেডমিণ্টন সন্থাৰ তত্বাৱধানত আৰু ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত কালিৰে পৰা ডিব্ৰুগড়ত য়নেক্স ছানৰাইজ ৭৪ সংখ্যক সদৌ অসম আন্তঃজিলা বেডমিণ্টন চেম্পিয়নশ্বিপ অনুষ্ঠিত হৈছে। ২ ছেপ্তেম্বৰলৈকে হ'বলগীয়া প্ৰতিযোগিতাখন কালি কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে উদ্বোধনী ভাষণত কয় যে বৰ্তমান সমগ্ৰ দেশতে ক্ৰীড়াৰ পৰিৱেশ আৰু বাতাবৰণৰ ফলত ভাৰতে দেশ-বিদেশত নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰাৰ লগতে শ্ৰেষ্ঠত্ব অৰ্জন কৰি গৌৰৱ কঢ়িয়াই আনিবলৈ সমৰ্থ হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে প্ৰতিযোগিতাখনত ভাগ লোৱা ৰাজ্যখনৰ বিভিন্ন জিলাৰ সহস্ৰাধিক বেডমিণ্টন খেলুৱৈক শুভেচ্ছা জনায়। কালিৰ উদ্বোধনী অনুষ্ঠানত অসম বেডমিণ্টন সন্থাৰ সম্পাদক ওমৰ ৰছিদ, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, সমাজ সেৱক জ্যোতি

কানৈ, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ সৈকত পাত্ৰকে ধৰি ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০০

সমাপ্ত